


সুপ্ৰভাত

আজিৰ দিনটোতে—

- বিশ্ব অন্তৰ্মুখী দিৱস
- ৰাষ্ট্ৰীয় বিজ্ঞান কল্পকাহিনী দিৱস
- ১৮৩৯ত লুই ডাগুৱেৰেৰ প্ৰথম চন্দ্ৰৰ আলোকচিত্ৰ প্ৰদৰ্শন
- ১৮৯৬ত শিশু সাহিত্যিক খগেন্দ্ৰ নাথ মিত্ৰৰ জন্ম
- ১৯২০ত বিজ্ঞান কল্পলেখক আইজাক এছিমভৰ জন্ম
- ১৯৩৭ত ভাৰতীয় কবি চন্দ্ৰলেখৰা কম্বাৰৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ৰ □ সংখ্যা ২৯৭ □ শুকুৰবাৰ □ ১৭ পুহ ১৯৪৭ শক □ ২ জানুৱাৰী ২০২৬ চন □ VOL-15 □ NO-297 □ FRIDAY 2 JANUARY 2026

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION)

## উদ্যোগসমূহে শিক্ষাৰ্থীৰ উত্তৰণৰ বাবে চলন্ত গৱেষণাগাৰ নিৰ্মাণ কৰক ঃ ড° শইকীয়া

# ডিব্ৰুগড়ত বিচিপিএলৰ উদ্যোগ-শিক্ষানুষ্ঠান সন্মিলন সম্পন্ন

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১ জানুৱাৰী ঃ ‘শিক্ষানুষ্ঠানসমূহৰ স'তে উদ্যোগসমূহৰ সম্পৰ্ক গঢ়ি উঠিলে দেশৰ প্ৰগতি কোনেও ৰোধ কৰিব নোৱাৰে। উদ্যোগসমূহত কেনে বিষয়া-কৰ্মচাৰীৰ প্ৰয়োজন সেয়া শিক্ষানুষ্ঠানসমূহে অৱগত হ'লে সেই মতে মানৱ সম্পদ সৃষ্টি কৰিব পাৰিব।’ —ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ৩০ ডিচেম্বৰত এইদৰে কয়। উত্তৰ-পূৰ্বাঞ্চলৰ অগ্ৰণী উদ্যোগ প্ৰতিষ্ঠান ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেড (বিচিপিএল)-ৰ উদ্যোগত আয়োজিত এক ‘উদ্যোগ-শিক্ষানুষ্ঠান সন্মিলন’ (Industry-Academia Meet)-ত তেওঁ কয় যে উদ্যোগসমূহে যুৱক-যুৱতীসকলৰ মাজত উদ্যোগৰ প্ৰয়োজনীয়তা, সজাগতা সৃষ্টি কৰিবলৈ চলন্ত গৱেষণাগাৰ প্ৰস্তুত কৰাৰ প্ৰয়োজন। তেওঁ কয়— উদ্যোগসমূহে যিবোৰ সমস্যা ভোগ কৰি আহিছে, সেই সমস্যাসমূহ সমাধানৰ পাঠ্যক্ৰম বিশ্ববিদ্যালয় মহাবিদ্যালয়ৰ পৰীক্ষাগাৰ, শ্ৰেণীকোঠালৈ লৈ যোৱা প্ৰয়োজন। এনে প্ৰক্ৰিয়াই সমস্যাসমূহ সমাধান কৰাত সহায় হ'ব বুলি উল্লেখ কৰি তেওঁ কয়— অসমৰ উদ্যোগসমূহে একত্ৰিত হৈ এটা ‘ইন'ভেচন ইনকিউবেচন কেন্দ্ৰ’ গঢ়ি তোলাৰ পোষকতা কৰি তেওঁ কয়— আজিৰ প্ৰযুক্তি কাইলৈ পুৰণি হ'ব পাৰে। সেয়ে উদ্যোগসমূহে পুনৰ শিকা, নিশিকা কথাবোৰ বিপ্লৱৰ আকাৰত গঢ়ি তুলি উঠি অহা প্ৰজন্মৰ মানসিকতা সলনি কৰাৰ বাবে আহ্বান জনায়। তেওঁ বিচিপিএল কৰ্তৃপক্ষক প্লাষ্টিক আৰু পলিমাৰ ব্যৱহাৰৰ ক্ষেত্ৰত কেনেকৈ পৰিৱেশ অনুকূল কৰি তুলিব পাৰি সেই সম্পৰ্কে বায়'পলিমাৰৰ ওপৰত গৱেষণা কৰাৰ পৰিৱেশ উদ্যোগসমূহে গ্ৰহণ কৰিব লাগে বুলি কয়। তেওঁ চিএছআৰৰ অধীনত উচ্চ শিক্ষানুষ্ঠানসমূহত ইনকিউবেচন চেল, ভি আৰ নিৰ্ভৰ উচ্চ প্ৰযুক্তিৰ আৰ্হি প্ৰস্তুত কৰি শিক্ষাৰ্থীক শিক্ষাদান কৰা, বহনক্ষম ৰসায়ন পদ্ধতি গঢ়ি তোলা, পৃথিৱীৰ পৰিৱৰ্তনৰ দিশসমূহ শিক্ষাৰ্থীয়ে জানিব পৰাকৈ নিয়মীয়াকৈ নলেজ হাবৰ দৰে প'টেল প্ৰস্তুত



কৰি বিশ্বজুৰি চলি থকা শেহতীয়া গৱেষণা, ই-বুক আদিৰ ব্যৱস্থা কৰি উদ্যোগসমূহে শিক্ষাৰ্থীক উত্তৰণত সহায় কৰাৰ পোষকতা কৰে। অধ্যক্ষগৰাকীয়ে শিক্ষানুষ্ঠানসমূহত উদ্যোগনিৰ্ভৰ পাঠ্যক্ৰম আৰু উদ্যোগৰ জ্যেষ্ঠ অভিযন্তা, অভিজ্ঞ ব্যক্তিসকলৰ অধীনত শিক্ষানুষ্ঠানসমূহৰ মেধাৱী শিক্ষাৰ্থীসকলক ‘মেণ্টৰিং’ কৰাৰ বিষয়ে সভাত উল্লেখ কৰে। তেওঁ উদ্যোগসমূহে কম খৰচত কেনেকৈ সামগ্ৰী উৎপাদন কৰিব পাৰি, সংৰক্ষণ কৰিব পাৰি, তেনে ক্ষুদ্ৰ ক্ষুদ্ৰ গৱেষণা কেন্দ্ৰ গ্ৰামাঞ্চলত প্ৰতিষ্ঠা কৰিলে অসমৰ শিক্ষা আৰু উদ্যোগ খণ্ড দুয়োটাই সমান্তৰালভাৱে আগুৱাই যাব পাৰিব বুলি কয়। পোনপ্ৰথমবাৰৰ বাবে আধুনিক ঔদ্যোগিক প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ শিক্ষাখণ্ড আৰু উদ্যোগ জগতৰ মাজত এক শক্তিশালী সমন্বয় গঢ়ি তোলাৰ লক্ষ্যৰে বিচিপিএলে এই অনুষ্ঠানৰ আয়োজন কৰিছিল। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। বিচিপিএল আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত অনুষ্ঠিত এই সন্মিলনৰ উদ্দেশ্য ব্যাখ্যা কৰে বিচিপিএলৰ পৰিচালন সঞ্চালক প্ৰাঞ্জল চাংমায়ে। বিশেষ সন্মানীয় ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী। আয়ুক্তগৰাকীয়ে উদ্যোগ খণ্ডৰ স'তে স্থানীয় যুৱক-যুৱতীসকলে কেনে সম্পৰ্ক গঢ়ি তুলিব সেই বিষয়ে উল্লেখ কৰি কয় যে উদ্যোগসমূহে কি বিচাৰে সেই কথা শিক্ষাৰ্থীসকলে জনা উচিত। অনুষ্ঠানৰ অন্যতম উদ্যোক্তা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই কয়— উদ্যোগ আৰু শিক্ষানুষ্ঠানসমূহৰ মাজত গঢ়ি উঠা সমন্বয় সাঁকোৰে অসমৰ শিক্ষাখণ্ডৰে নহয়, উদ্যোগ খণ্ডও উপকৃত হ'ব। তেওঁ কয়— এয়া আৰম্ভণি, ভৱিষ্যৎ উজ্জ্বল। অনুষ্ঠানটিত আইআইটি খড়গপুৰৰ ড° খনিন্দ্ৰ পাঠক মূল সমল ব্যক্তি হিচাপে উপস্থিত থাকে। অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া ত্ৰিদীপ শৰ্মা, গেছ কোম্পানী লিমিটেডৰ মেনেজিং ডাইৰেক্টৰ গকুল স্বৰ্গীয়াৰী, বিচিপিএলৰ মানৱ সম্পদ বিভাগৰ ভাৰপ্ৰাপ্ত মুখ্য সঞ্চালক ৰোহিণী কান্ত শৰ্মা, উপ-সঞ্চালক জয়ন্ত বৰুৱাকে প্ৰমুখ্য কৰি বিচিপিএলৰ লগতে ৰাজ্যখনৰ বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, অসম পেট্ৰ'কেমিকেলছ, অসম গেছ কোম্পানী লিমিটেড, আইঅ'চিএল ডিগবৈ, অইল ইণ্ডিয়া লিমিটেড আদি বিভিন্ন উদ্যোগ খণ্ডৰ জ্যেষ্ঠ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকি আলোচনাত ভাগ লয়।